অসম

পিকনিকলৈ যোৱাৰ পূৰ্বে ল'ব লাগিব প্ৰশাসনৰ আগতীয়া অনুমতি, অনুমতিৰ খোলা হ'ব পৰ্টেল

পথ দুৰ্ঘটনা ৰোধ আৰু যাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে পিকনিক দলৰ বাবে অনলাইন পৰ্টেলযোগে আগতীয়া অনুমতি বাধ্যতামূলক কৰাৰ সিদ্ধান্ত পৰিবহণ বিভাগৰ।

প্ৰকাশ: ১৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৭



picnic trips (AI)

১৬ নৱেম্বৰ, গুৱাহাটী :

পিকনিকৰ বতৰৰ পূৰ্বে পথ দুৰ্ঘটনা ৰোধ আৰু সুৰক্ষা নিশ্চিত কৰাৰ বাবে অসম চৰকাৰৰ পৰিবহণ বিভাগে কঠোৰ নিৰ্দেশনা জাৰি কৰিবলৈ সাজু হৈছে। পৰিবহণ মন্ত্ৰী চৰণ বড়োৱে ঘোষণা কৰা মতে, এতিয়াৰে পৰা যিকোনো বনভোজকাৰী দলে পিকনিকলৈ যাবলৈ হ'লে চৰকাৰী অনলাইন পৰ্টেলৰ জৰিয়তে আগতীয়াকৈ প্ৰশাসনৰ অনুমতি লোৱাটো বাধ্যতামূলক হ'ব।

আগন্তুক বনভোজৰ বতৰত পথ দুৰ্ঘটনা ৰোধ আৰু যাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে পিকনিকলৈ যোৱা দলসমূহৰ বাবে আগতীয়া প্ৰশাসনিক অনুমতি বাধ্যতামূলক কৰিবলৈ সাজু হৈছে অসম চৰকাৰৰ পৰিবহণ বিভাগ।

পৰিবহণ মন্ত্ৰী চৰণ বড়োৱে জনোৱা অনুসৰি, পিকনিকলৈ যাব বিচৰা প্ৰতিটো দলে চৰকাৰে মুকলি কৰিবলগীয়া অনলাইন পৰ্টেলৰ জৰিয়তে আগতীয়াকৈ অনুমতিৰ বাবে আবেদন কৰিব লাগিব। প্ৰশাসনৰ অনুমতি লাভ কৰাৰ

পাছতহে দলসমূহে পিকনিকলৈ যাত্রা কৰিব পাৰিব।

নতুন নির্দেশনা অনুসৰি, পিকনিকৰ যাত্রা কেৱল দিনৰ পোহৰতহে কৰিব পাৰিব। পুৱা ৭ বজাৰ পূর্বে কোনো দলে যাত্রা আৰম্ভ কৰিব নোৱাৰিব আৰু সন্ধিয়া হোৱাৰ পূর্বে উভতি আহিব লাগিব। অধিক দূৰত্বৰ স্থানলৈ যোৱাৰ ক্ষেত্রতো নিষেধাজ্ঞা আৰোপৰ পৰিকল্পনা কৰা হৈছে। কেৱল নির্ধাৰিত ওচৰৰ পিকনিকস্থলীলৈহে অনুমতি দিয়া হ'ব।

পিকনিকত ব্যৱহাৰ কৰা প্রতিখন বাহনৰ বৈধ ফিটনেছ চার্টিফিকেট, বীমা আৰু প্রদূষণ নিয়ন্ত্রণৰ প্রমাণপত্র থকাটো বাধ্যতামূলক। যাত্রীবাহী বা বাণিজ্যিক বাহনত গতি নিয়ন্ত্রণকাৰী যন্ত্র সঠিকভাৱে কার্যক্ষম হৈ থাকিব লাগিব।

চালকৰ ওচৰত বৈধ বাণিজ্যিক চালনা অনুজ্ঞাপত্র আৰু সংশ্লিষ্ট পথত চলাচলৰ প্রয়োজনীয় পার্মিট থাকিব লাগিব। অনলাইন পর্টেলৰ জৰিয়তে লাভ কৰা প্রশাসনৰ অনুমতিপত্রখনো যাত্রাৰ সময়ত লগত ৰাখিব লাগিব।

বাহনৰ অনুমোদিত আসনক্ষমতাতকৈ অধিক যাত্রী কঢ়িওৱাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। চালকে সুৰাপান কৰি গাড়ী চলাব নোৱাৰিব। বাহনৰ ভিতৰত বা পিকনিকস্থলীত অতি উচ্চ স্বৰত ডিজে বা মাইক বজাই পৰিৱেশ বিনষ্ট কৰাতো প্রশাসনে বাধা আৰোপ কৰিছে।

কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়াৱহ পথ দুর্ঘটনাত ২৬ জন লোকৰ মৃত্যুৰ পাছতে ৰাজ্য চৰকাৰে পথ সুৰক্ষাৰ ক্ষেত্রত কঠোৰ পদক্ষেপ গ্রহণ কৰিছে। আগন্তুক বনভোজৰ বতৰত এনে দুর্ঘটনা ৰোধ কৰাৰ লক্ষ্যৰে এই নতুন ব্যৱস্থা গ্রহণৰ কথা ঘোষণা কৰা হৈছে। অৱশ্যে, অনলাইন পর্টেল মুকলিৰ নির্দিষ্ট তাৰিখ, ৱেবছাইটৰ ঠিকনা আৰু আবেদন প্রক্রিয়াৰ সবিশেষ এতিয়াও আনুষ্ঠানিকভাৱে প্রকাশ কৰা হোৱা নাই।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3625/assam-picnic-permission-road-safety